# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI

0000000000

**Date :** 16-03-2025
**Time :** 12-05 Hrs

***Assamese MIDDAY Bulletin***

**:::::::::::::::::::::::::::::::**

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কালি দেৰগাঁৱত নতুন ৰূপত সজাই তোলা অত্যাধুনিক লাচিত বৰফুকন পুলিচ একাডেমী মুকলি কৰাৰ লগতে একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। এই উপলক্ষে আয়োজিত জনসভাত ভাষণ দি তেওঁ কয়, যে অসম দ্ৰুত গতিত বিকাশৰ দিশে অগ্ৰসৰ হৈছে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৰাজ্যখনলৈ শান্তি ঘূৰি আহিছে।

০০০০

চলিত বছৰৰ অক্টোবৰত বটদ্ৰৱা প্ৰকল্পৰ কাম সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰকল্পস্থলী পৰিদৰ্শন কৰি ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰকল্পৰ কাম-কাজ দ্ৰুত গতিত চলি আছে আৰু ছমাহৰ ভিতৰত এই কাম সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে। দৌল উৎসৱ উপলক্ষে কালি বটদ্ৰৱাত গোসাঁইৰ ওচৰত সেৱা লোৱাৰ পাছত ভকত-বৈষ্ণৱৰ সৈতে মত-বিনিময় কৰি এই কথা প্ৰকাশ কৰে। তেওঁ লগতে আকাশীগংগাৰ মথাউৰি নিৰ্মাণৰ কামো শীঘ্ৰে সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰে। গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা সম্প্ৰতি সুৰক্ষিত বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে মহাপুৰুষজনাৰ স্মৃতি আৰু কৰ্মৰাজী সংৰক্ষণৰ বাবে যথোচিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কালি নগাঁৱত আন কেইবাটাও কাৰ্যসূচীত অংশ লয়। জিলাখনত শীঘ্ৰেই মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত কৰা হ'ব বুলিও তেওঁ ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে নগাঁও চহৰৰ শিৱনগৰত ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনত ৩১ কোটি ৩০ লাখ টকা ব্যয়ৰে নিৰ্মিয়মান ড০ ভূপেন হাজৰিকা কলাতীৰ্থ পৰিদৰ্শন কৰি ইয়াৰ কামকাজৰ বুজ লয়। এই কলাক্ষেত্ৰত প্ৰেক্ষাগৃহ, কলাবিথিকা, পুথিভঁৰালকে ধৰি বিভিন্ন সুবিধা উপলব্ধ হ'ব। মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগক ছমাহৰ ভিতৰত প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। ড০ শৰ্মাই কালি নগাঁৱৰ কবৈয়নীৰ সাৰ্বজনীন হেজাৰী ভাওনা মহোৎসৱত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত দিয়া ভাষণত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নিৰ্মাণ কৰি থৈ যোৱা ৰাজ্যখনৰ আধ্যাত্মিক ভেটিটোৱে নতুন প্ৰজন্মৰ চিন্তা-চেতনাৰ উত্তৰণত সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে মন্দিৰটোৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে এক কোটি টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। ড০ শৰ্মাই নগাঁও চহৰৰ সৌন্দৰ্যবৰ্ধনৰ লক্ষ্যৰে নিৰ্মিয়মান মৰিকলং বিলৰ পাৰত উদ্যানৰ কামৰ অগ্ৰগতিৰ খতিয়ান লয়।

০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মুঠ ১০৭ গৰাকী প্ৰাৰ্থীয়ে তেওঁলোকৰ মনোনয়ন দাখিল কৰে। পৰিষদৰ অন্তৰ্গত মুঠ ৩৬টা সমষ্টিৰ ভিতৰত গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মুঠ ৫৫ গৰাকী আৰু কামৰূপ জিলাৰ ১৬টা সমষ্টিৰ বাবে ৫২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। কামৰূপ জিলাৰ ১৬টা পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থীসকলে সংশ্লিষ্ট সহকাৰী ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ মনোনয়ন পত্ৰসমূহ দাখিল কৰে। বামুনীগাঁও পৰিষদৰ বাবে মনোনয়ন দাখিলৰ সময়ত বিজেপি প্ৰাৰ্থীগৰাকীৰ লগত

মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে। এইবেলি ৰাভা-হাচং পৰিষদীয় নিৰ্বাচনত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু বিজেপিয়ে পূৰ্বৰ মিত্ৰতা অক্ষুণ্ণ ৰাখি নিৰ্বাচনত অৱতীৰ্ণ হৈছে। সেয়েহে ৩৬টা পৰিষদীয় সমষ্টিৰ ভিতৰত ৩০টাত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু ছটাত বিজেপিয়ে প্ৰাৰ্থী থিয় কৰোৱাইছে। উল্লেখযোগ্য অহা ১৭ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰি বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ কৰা হ'ব। প্ৰাৰ্থীসকলে ১৯ মাৰ্চৰ বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব আৰু একেদিনাই বিয়লি নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০

ৰাজ্যৰ বিহু সুৰক্ষা সমিতিৰ গোলাঘাট জিলা সমিতিৰ উদ্যোগত আজি চাওদাংপথাৰ মেৰাচুকত মঘাই ওজা স্মৃতি দিৱস উদ্‌যাপন কৰা হৈছে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত এই দিৱসত মঘাই ওজাক স্মৰণ কৰাৰ লগতে প্ৰবীন ঢুলীয়াসকলৰ সৈতে অন্তৰংগ আলাপ আৰু বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত সদৌ অসম ঢুলীয়া শিল্পী সন্মিলনৰ সভাপতি, কাৰ্যকৰী সভাপতি  আদিৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

মানাহ ৰাষ্ট্ৰীয় উদ্যানত সম্প্ৰতি বিভিন্ন জীৱ জন্তুৰ লগতে বাঘৰ মুক্ত বিচৰণৰ দৃশ্যই দেশী-বিদেশী পৰ্যটকক আনন্দিত কৰি তুলিছে। কালি বিয়লি ৰাষ্ট্ৰীয় উদ্যানখনত এটি প্ৰকাণ্ড ঢেকীয়াপতিয়া বাঘৰ মুক্ত বিচৰণে পৰ্যটকসকলক আমোদ দিয়া পৰিলক্ষিত হয়। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাহবাৰী ৰেঞ্জৰ জংঘলত এই ঢেকীয়াপতিয়া বাঘটোৰ বিচৰণ কৰি থকা পৰ্যটকসকলে প্ৰত্যক্ষ কৰে।

০০০০

গণশিল্পী মঘাই ওজা কলাক্ষেত্ৰই প্ৰতিবছৰে প্ৰদান কৰি অহা গণশিল্পী মঘাই ওজা বঁটা এই বছৰ বিশিষ্ট শিল্পী তথা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত সঞ্চালক চৈয়দ চাদুল্লা লৈ আগবঢ়োৱা হৈছে। কালি যোৰহাটৰ হাতীগড় নাওশলিয়াত থকা মঘাই ওজা কলাক্ষেত্ৰত সমাজে আয়োজন কৰা গণশিল্পীগৰাকীৰ ৪৫ সংখ্যক মৃত্যু দিৱসত এই ঘোষণা কৰা হয়। উল্লেখযোগ্য যে, চৈয়দ চাদুল্লাই আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ দ্বাৰা ১৯৭৭ চনতে গণশিল্পীগৰাকীৰ দীঘলীয়া সাক্ষাৎকাৰ গ্ৰহণ কৰি আৰু তেওঁৰ ঢোলবাদন বাণীবদ্ধ কৰি তেওঁৰ স্থিতি যুগমীয়া কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ মঘাই ওজাক লৈ গীত ৰচনা কৰি আকাশবাণীত বাণীবদ্ধ কৰাৰ লগতে গণশিল্পীগৰাকীৰ জীৱন সম্পৰ্কীয় আলেখ্যও ৰচনা কৰিছিল। অহা ১৯ এপ্ৰিলত মঘাই ওজা কলাক্ষেত্ৰত হ'বলগীয়া বিহু সন্মিলনত এই বঁটা প্ৰদান কৰা হ'ব বুলি কলাক্ষেত্ৰ সমাজে প্ৰকাশ কৰিছে।

০০০০

গোলাঘাট জিলাৰ সামাজিক বেচৰকাৰী অনুষ্ঠান যোদ্ধাৰ উদ্যোগত আজি খুমটাইত হাফ মাৰাথান দৌৰ অনুষ্ঠিত হয়। ৰাজ্যত বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত ড্ৰাগছৰ ব্যৱহাৰ তথা গুতখা জাতীয় সামগ্ৰীৰ ব্যৱহাৰৰ বিৰুদ্ধে সামাজিক সচেতনতা বৃদ্ধি কৰাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। প্ৰতিযোগিতাত খুমটাই সমষ্টিৰ বিধায়ক মৃনাল শইকীয়াৰ লগতে কেইবাশ শিশু, চেমনীয়া আৰু  পুৰুষ মহিলাই অংশগ্ৰহণ কৰে।

০০০০

সমাপ্ত